# বিহুৰাম বড়োৰ হত্যাৰ প্ৰতিবাদত
# আৰু
# জনসাধাৰণৰ স্থায়ী নিৰাপত্তাৰ দাবীত
# আমৰণ অনশন

তাং-৪-১০-৯০ ইং

আজীৱন সমাজ সাহিত্য সেৱক, নিখিল বড়ো সাহিত্য সভাৰ তিনিবছৰ উপসভাপতি আৰু আৰু সুদীৰ্ঘ ১৩ বছৰ সম্পাদকৰ দায়িত্বত থাকি সভাক গতিশীল নেতৃত্ব দিয়া, সদাহাস্যময় সহানুভূতি– পূৰ্ণ হৃদয়ৰ অধিকাৰী বড়ো জাতিৰ এজন সুদক্ষ সুযোগ্য সন্তান মহান সেৱক বিহুৰাম বড়োই আততায়ীৰ গুলিত দিন দুপৰতে দৰং জিলাৰ ৰৌতা চাৰিআলি চকত মৃত্যু হব লগা হোৱা ঘটনাই আমাক আকৌ ভাবিবলৈ বাধ্য কৰিছে যে, অসম গণ পৰিষদ চৰকাৰে নিৰীহ জনসাধাৰনক নিৰাপত্তা দিয়াত চৰম ব্যৰ্থ হৈছে। বোকাপানী গছকি অৰ্থনৈতিক দৈন্যতাৰ সংগ্ৰাম কৰি হলেও বড়ো ভাষা সাহিত্য সংস্কৃতিৰ হকে আজীৱন ত্যাগ স্বীকাৰ কৰা বিহুৰাম বড়োৰ অকাল মৃত্যুই আজি কেৱল পৰিয়াল তথা অঞ্চল বাসীকেই কন্দুওৱা নাই, কন্দুৱাইছে আজি সমগ্ৰ বড়ো জাতিক' সমগ্ৰ অসম বাসীক। যোৱা ২৭ চেপ্তেম্বৰ তাৰিখে দিনদুপৰতে মহান সেৱক বিহুৰাম বড়ো আততায়ীৰ গুলিত নিহত হোৱাৰ খবৰ পোৱাৰ পিচতে জনজাতি আৰু অজনজাতি সকলো শ্ৰেণীৰ হেজাৰ হেজাৰ সমবেত ৰাইজে কান্দি কান্দি চকুলোৰ ভাষাৰে বুজালে যে, বিহুৰাম বড়োৰ অকাল বিয়োগে বড়োজাতিৰ অপূৰনীয় ক্ষতি কৰাৰ লগতে অসমৰ বুকুৰ পৰা শান্তি আৰু মিলনৰ যোগসূত্ৰ কৰা এজন শান্তিদূত আঁতৰি গল। আমাৰ মাজত নীতি, আদৰ্শৰ বাবে দ্বন্দ হৈছে সচা, কিন্তু এই দ্বন্দ ধ্বংসৰ বাবে নহয়, ন প্ৰেৰণা আৰু ন সৃষ্টিৰ বাবেহে। মহান সমাজ সেৱক বিহুৰাম বড়োক হত্যা কৰাৰ পিচত তেওঁৰ আদৰ্শ আৰু নীতিক হত্যা কৰি শেষ কৰিব পৰা নাযাব। হেজাৰ হেজাৰ জনতাৰ হৃদয়ত তেওঁৰ নীতি আৰু আদৰ্শ চিৰবিদ্যমান। আমাৰ মহান সমাজ সাহিত্য সেৱক বিহুৰাম বড়ো অমৰ হৈ ৰ'ল।

OKDISCD

মহান নেতা বিহুৰাম বড়োৰ হত্যাৰ প্ৰতিবাদত, প্ৰকৃত অপৰাধীক কৰায়ত্ব কৰা আৰু শান্তিপ্ৰিয় জনসাধাৰণৰ স্থায়ী নিৰাপত্তাৰ দাবীত আজি মোৰ এই 'আমৰণ অনশন'। শান্তি, ঐক্য আৰু প্ৰগতিৰ মহামন্ত্ৰেৰে দীক্ষিত জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দায়বদ্ধতাৰ শ্লোগানেৰে ৰজন-জনোৱা অসম গন পৰিষদ চৰকাৰে মনত ৰাখিছেনে বিগত শাসন কালৰ দিনবোৰত দুস্কৃতিকাৰী, সমাজবিৰোধীসকলে আমাৰ ক'তজন পিতৃমাতৃ, ভাইভনী, কেচুৱা লৰা ছোৱালীৰ আৰু ভৱিষ্যত বংশধৰ সকলৰ তেজেৰে ৰং খেলিলে। দুস্কৃতিকাৰী, সমাজবিৰোধী সকলোৰ বিচাৰহীন হত্যাকাণ্ডত ক'ত পুত্ৰ পিতৃ, মাতৃ হাৰা হ'ল, ক'তজনী বোৱাৰীৰ কপালৰ সেন্দুৰ মচা গল আৰু ক'তজন বোকাপানী গছকা নিৰীহ মানুহৰ জীৱন নিপাত হ'ল, এইবোৰ অসম গণ পৰিষদ চৰকাৰৰ হিচাপ আছেনে? দিচপুৰ আৰু উচ্চ চৰকাৰী বিষয়াৰ কাৰ্য্যালয়ত নিৰাপত্তা কটকটীয়া কৰিলেই কেৱল জন সাৰাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰা নুবুজায়। সমাজ সাহিত্য সেৱক মহান নেতা বিহুৰাম বড়োৰ হত্যাৰ পিছত আজি অসম গণ পৰিষদ চৰকাৰে জনসাধাৰণৰ নিৰাপত্তাৰ কথাটো গুৰুত্ব প্ৰদান কৰিছেনে? শান্তিপ্ৰিয় জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰিবৰ বাবে অসম গণ পৰিষদ চৰকাৰে নৈতিক দায়িত্ব বহন কৰিবনে? আজি, নিৰপৰাধী জনসাধাৰণৰ হত্যাকাণ্ডৰ সুবিচাৰ আৰু সু তদন্ত হবনে? অসম গন পৰিষদ চৰকাৰে আজি ৰাইজৰ বৃহৎ স্বাৰ্থত জনসাধাৰনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ নৈতিক দায়িত্ব বহন কৰি আমাক প্ৰতিশ্ৰুতি দিয়ক।

বিহুৰাম বড়োৰ হত্যাৰ তদন্ত কৰক।
জনসাধাৰনৰ নিৰাপত্তা সুনিশ্চিত কৰক।
শান্তি ঘূৰাই আনক।

**শ্ৰীগঙ্গাধৰ ৰামচিয়াৰী**
উপদেষ্টা, নিখিল বড়ো ছাত্ৰ সন্থা।

OKDISCD